# অসম লোকসেৱা আয়োগ

# ASSAM PUBLIC SERVICE COMMISSION

Jawaharnagar,Khanapara, Guwahati-781022

## প্রেছ বিজ্ঞপ্তি

## অসম লোকসেৱা আয়োগৰ শেহতীয়া পদক্ষেপ

গুৱাহাটীঃ

ৰাজ্যিক পৰ্য্যায়ৰ ভিন ভিন চৰকাৰী বিভাগত মেধা-দক্ষতা-অভিজ্ঞতাৰ ভিত্তিত উপযুক্তসকলক সেৱা আগবঢ়োৱাৰ নিমিত্তে বাছনি কৰি অহা অসম লোকসেৱা আয়োগে সম্প্রতি কেইবাটাও দিশত নতুন পদক্ষেপ গ্রহণ কৰিছে। তাৰ ভিতৰত সাম্প্রতিক কালৰ কৰ'ণা মহামাৰীৰ অতিসংক্রমণৰ মাজতো আয়োগে অতিশয় তৎপৰতাৰে সাময়িকভাৱে স্থবিৰ হৈ থকা বিভিন্ন পৰ্য্যায়ৰ সাক্ষাৎকাৰ, লিখিত পৰীক্ষাসমূহ অনুষ্ঠিত কৰিবলৈ উদ্যোগ লোৱাটো অন্যতম। পৰীক্ষা ব্যৱস্থাটোৰ প্রয়োজনীয় সংস্কাৰ সাধনৰ উপৰিও আয়োগে নিযুক্তিপ্রত্যাশী প্ৰাৰ্থীসকলৰ সুবিধার্থে অনলাইন আৱেদনৰ ব্যৱস্থাটোক ইতিমধ্যে সক্রিয় কৰি তুলিছে। উল্লেখ কৰা প্রয়োজন যে ডাক যোগে পঠাবলগীয়া হোৱাৰ ফলত পূৰ্বতে প্ৰাৰ্থীসকলৰ দৰ্খাস্তবোৰ বহুদিনলৈ ডাকঘৰতে পৰি থাকিব লগীয়া হৈছিল। তেনে অসুবিধা এই অনলাইন ব্যৱস্থাটোৱে দূৰিভুত কৰিব। কেন্দ্রীয় লোকসেৱা আয়োগৰ সমপাঠ্যক্রমত প্রথম বাৰৰ বাবে অনুষ্ঠিত কৰিবলৈ লোৱা, "সংযুক্ত প্রতিযোগিতামূলক পৰীক্ষা-২০২০" ৰ লগতে আন আন পৰীক্ষাসমূহতো এই অনলাইন আৱেদনৰ ব্যৱস্থা প্রযোজ্য হোৱাৰ জৰিয়তে বাছনি প্রক্রিয়াক অধিক ক্ষিপ্ৰ কৰি তুলিব বিচৰা হৈছে। আয়োগৰ আন এক নতুন সংযোজন হৈছে প্ৰাৰ্থীৰ বাবে নিৰ্দিষ্ট কৰা আৱেদন পত্ৰ আৰু নিৰ্দেশাৱলীত ইংৰাজী ভাষাৰ লগতে অসমীয়া ভাষাৰ সংযোগকৰণ। উল্লেখযোগ্য যে ইতিমধ্যে আয়োগৰদ্বাৰা ২০১৮ ৰ সংযুক্ত প্রতিযোগিতামূলক প্রধান লিখিত পৰীক্ষাটোৰ ফলাফলৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছে; আৰু মহামান্য উচ্চ ন্যায়ালয়ৰ সাকাৰাত্মক নিৰ্দেশৰ লগে লগেই ফলাফল ঘোষিত কৰা; আৰু সেই অনুসাৰে সাক্ষাৎকাৰৰ ভেটিত বাছনিৰ চূড়ান্ত তালিকা শীঘ্ৰে সম্পাদন কৰি অসমৰ অসামৰিক সেৱাৰ ক্ষেত্ৰখনলৈ সময়োপযোগী অৰিহণা আগবঢ়াব পৰা যাব বুলি আশা প্ৰকাশ কৰা হৈছে।

সচিব

অসম লোকসেৱা আয়োগ

জৱাহৰ নগৰ, খানাপাৰা,

গুৱাহাটী-৭৮১০২২